# শিক্ষামূলক ভ্ৰমণ (শিৱসাগৰ)

## পানীগাওঁ ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়

### শিক্ষাতত্ব বিভাগ

**তাৰিখ : ১২ মাৰ্চ ২০১৯**

ভ্ৰমণ শিক্ষাৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ। মানুহৰ ব্যস্ততাময় জীৱনৰ আমনিদায়ক সময়খিনিক জীপাল কৰি ভ্ৰমণে প্ৰদান কৰে এক সুকীয়া মাদকতা। মনোৰঞ্জনৰ লগে ভ্ৰমণে দিয়ে বিভিন্ন স্থানৰ সভ্যতা-সংস্কৃতি, ভাষা-সাহিত্য, স্থপত্য-ভাস্কৰ্য, প্ৰাকৃতিক তথা ভৌগোলিক পৰিবেশ, খাদ্যাভ্যাস, বিভিন্ন সমাজৰ প্ৰচলিত ৰীতি -নীতি, ঐতিহাসিক সমলসমূহ তথা আদি সম্বন্ধীয় বাস্তৱ অভিজ্ঞতাৰে সমৃদ্ধ জ্ঞানৰ এক বিপুল সম্ভাৰ। সেই উদ্দেশ্যে আগত ৰাখিয়েই যোৱা ইংৰাজী ১২ মাৰ্চ ২০১৯ তাৰিখে পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক মীনা লাহন আৰু সহকাৰী অধ্যাপক ড° ৰুণজুন শইকীয়াৰ তত্ত্বাৱধানত শিক্ষা বিভাগৰ দ্বিতীয়, চতুৰ্থ আৰু ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলক লগত লৈ শিৱসাগৰ জিললৈ এটা শিক্ষামূলক যাত্ৰা কৰা হয়।

পুৱা ০৬:১৫ বজাত যাত্ৰা আৰম্ভ কৰি দলটো প্ৰায় ১২:০০ বজাত ৰংপুৰৰ ৰূপহী পথাৰত অৱস্থিত স্বৰ্গদেও প্ৰমত্ত সিংহৰ দ্বাৰা নিৰ্মিত ঐতিহাসিক ৰংঘৰত উপস্থিত হয়। তাৰ মাজতে প্ৰায় ১০:০০ বজাত সকলোৱে এখন হোটেলত লঘু অহাৰ গ্ৰহণ কৰে। ৰংঘৰৰ প্ৰৱেশ দ্বাৰত অনুমতি লৈ দলটোৱে ৰংঘৰৰ ভিতৰত প্ৰৱেশ কৰি সকলোবোৰ ওচৰৰ পৰা প্ৰত্যক্ষ কৰে। ৰংঘৰ হ'ল এটা দুমহলীয়া ঐতিহাসিক পকী গৃহ, যাক আহোম শাসনকালত পেভেলিয়ন ৰূপে ব্যৱহাৰ কৰা হৈছিল। শিৱসাগৰ চহৰৰ পৰা মাত্ৰ ৩ কিলোমিটাৰ মান







আঁতৰত এই গৃহটো অৱস্থিত। ইয়াৰ পৰাই এসময়ত ৰাজ-পৰিয়াল আৰু বিশিষ্ট ৰাজবিষয়াসকলে বিশেষকৈ মাঘ বিহুৰ সময়ত অনুষ্ঠিত হোৱা ম'হ যুঁজ, শেন যুঁজকে প্ৰমুখ্য কৰি অন্যান্য বিনোদনমূলক কাৰ্যসূচী উপভোগ কৰিছিল। ৰংঘৰ এছিয়াৰ প্ৰথমটো পেভিলিয়ন হিচাপে প্ৰখ্যাত।এই গৃহটো আহোম সাম্ৰাজ্যৰ অন্যতম ৰাজধানী ৰংপুৰৰ ৰূপহী পথাৰত ১৭৪৬ চনত স্বৰ্গদেও প্ৰমত্ত সিংহৰ ৰাজত্ব কালত নিৰ্মাণ কৰা হৈছিল।

ইয়াৰ পাছত দলটোৱে ৰংঘৰৰ ওচৰতে থকা তলাতল ঘৰলৈ বুলি ৰাওনা হয়।



তলাতল ঘৰ আহোম স্থাপত্যকলাৰ এক উল্লেখযোগ্য নিদৰ্শন। এই ঐতিহ্যপূৰ্ণ ৰাজপ্ৰসাদটো আহোম ৰজা স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই খ্ৰীষ্টাব্দ ১৭৫১-৬৯ ত তেওঁৰ ৰাজত্ব কালত সজাইছিল। এই ৰাজপ্ৰসাদটিৰ কোঠালীবোৰ সমান্তৰালকৈ সজোৱা আৰু ইয়াৰ কাৰুকাৰ্য মোগল শিল্প শৈলীৰ লগত সাদৃশ্য থকা দেখা যায়। ইয়াৰ প্ৰত্যেকটো কক্ষ একোটা সৰু পথেৰে সংলগ্ন। ইয়াৰ পাছত দলটোৱে শিৱদৌল অভিমুখে যাত্ৰা কৰিলে। শিৱদৌলত সেৱা জনাই সকলোৱে ঐতিহাসিক শিৱসাগৰ পুখুৰীৰ দৃষ্টিনন্দন প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰে। ইয়াৰ পাছত শিৱদৌলৰ কাষতে থকা বিষ্ণুদৌল আৰু দেৱীদৌলৰ সৌন্দৰ্যও সকলোৱে উপভোগ কৰে।

শিৱদৌল শিৱসাগৰ পুখুৰীৰ (বৰপুখুৰী) পাৰত অৱস্থিত। স্বৰ্গদেউ শিৱসিংহই প্ৰথমা ৰাণী বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ মৃত্যুৰ পাছত তেওঁৰে বিবাহিতা ভনীয়েক দ্ৰৌপদীক বিবাহ কৰাই অম্বিকা কুঁৱৰী বা মদাম্বিকা নাম দি বৰৰজা পাতিছিল। এইগৰাকী কুঁৱৰীৰ নিৰ্দেশক্ৰমেই ১৭৩১ খৃঃত সোণৰ ক'লচীৰে সৈতে শিৱদৌল, দেৱীদৌল আৰু বিষ্ণু দৌল নিৰ্মাণ কৰাৰ লগতে শিৱসাগৰ পুখুৰী খন্দোৱা হৈছিল। এই শিৱদৌল অসমৰ

সকলোবোৰ দৌলতকৈ ওখ দৌল।





ইয়াৰ পাছত আমি সকলোৱে এখন হোটেললৈ গৈ আহাৰ গ্ৰহণ কৰো। অহাৰ খোৱাৰ পাছত দিনটোৰ বহু প্ৰত্যক্ষ অভিজ্ঞতা আৰু স্মৃতিৰ এটা টোপোলা বুটলি সকলো ঘৰমুৱা বাছত উঠে। নিশা প্ৰায় ০৯:৩০ মান বজাত দলটোৰ সকলো সদস্য সুকলমে ঘৰত আহি পায়। ইমানতে দিনযোৱা ভ্ৰমণৰ কাৰ্যসূচী সমাপ্ত পৰিল।

■■■